এই দুয়োখন কবৰৰ অধিবাসীৰ শাস্তি হৈ আছে। সেইটোও কোনো ডাঙৰ গুনাহৰ কাৰণে নহয়। এজনে প্ৰস্ৰাৱৰ ছিটাৰ পৰা নিজকে পৱিত্ৰ ৰখা নাছিল আৰু আনজনে খলুৱাগিৰি (চুগলখুৰী) কৰি ফুৰিছিল।

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লাম দুখন কবৰৰ ওচৰেৰে গৈ আছিল, তেনেতে তেখেতে ক'লেঃ "এই দুয়োখন কবৰৰ অধিবাসীৰ শাস্তি হৈ আছে। সেইটোও কোনো ডাঙৰ গুনাহৰ কাৰণে নহয়। এজনে প্ৰস্ৰাৱৰ ছিটাৰ পৰা নিজকে পৱিত্ৰ ৰখা নাছিল আৰু আনজনে খলুৱাগিৰি (চুগলখুৰী) কৰি ফুৰিছিল।"
ইয়াৰ পিছত তেখেতে এডাল সতেজ (খেজুৰৰ) ডাল হাতত লৈ সেইটোক দুভাগ কৰিলে আৰু দুয়ো
কবৰত এডালকৈ এডালকৈ পুতি দিলে। (উপস্থিত চাহাবাসকলে) সুধিলেঃ হে আল্লাহৰ ৰাছুল!
আপুনি এইটো কিয় কৰিলে? তেখেতে ক'লেঃ "সম্ভৱতঃ এই ঠাৰিডাল শুকাই নোযোৱালৈকে
সিহঁতৰ শাস্তি লাঘৱ কৰা হ'ব।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুখন কবৰৰ ওচৰেৰে গৈ আছিল, তেনেতে তেখেতে ক'লেঃ এই দুয়োখন কবৰৰ অধিবাসীক শাস্তি বিহা হৈ আছে। সিহঁতক যিটো গুনাহৰ কাৰণে শাস্তি বিহা হৈছে সেইটো তোমালোকৰ দৃষ্টিত কোনো ডাঙৰ গুনাহ নহয়। অথচ আল্লাহৰ দৃষ্টিত সেইটো হৈছে ডাঙৰ গুনাহ। সিহঁতৰ মাজৰ এজনে যেতিয়া প্ৰস্ৰাৱ পায়খানা কৰিছিল তেতিয়া প্ৰস্ৰাৱৰ ছিটাৰ পৰা নিজৰ শৰীৰ আৰু কাপোৰক ৰক্ষা কৰা নাছিল। আৰু দ্বিতীয়জনে খলুৱাগিৰি বা চুগলখুৰী কৰি ফুৰিছিল। অৰ্থাৎ লোকৰ মাজত জগৰ লগাবলৈ বা ক্ষতি কৰিবলৈ ইজনৰ কথা সিজনক লগাই ফুৰিছিল।

http://sunnah.global/hadeeth/as/show/3010